**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 15-09-2024
**Time :** 1715 Hrs

## Assamese Evening Bulletin

***Headlines***

::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাঁচী বিমান বন্দৰৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ৬ খন বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। পূৰ্বতে জামছেদপুৰৰ পৰা এই বন্দে ভাৰত ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰাৰ কথা আছিল যদিও ধাৰাষাৰ বৰষুণৰ বাবে প্ৰধানমন্ত্ৰী জামছেদপুৰত উপস্থিত হ'ব নোৱাৰাত ৰাঁচীৰ পৰাই ৰেলগাড়ীকেইখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰে। শ্ৰীমোদী জামছেদপুৰলৈ ৰাওনা হোৱাৰ উদ্দেশ্যে পুৱাৰ ভাগত ৰাঁচী বিমানবন্দৰত উপস্থিত হয় যদিও প্ৰতিকূল বতৰ আৰু দৃশ্যমানতা হ্ৰাস পোৱাৰ বাবে যাত্ৰা বাতিল কৰিবলগীয়া হয়। প্ৰধানমন্ত্ৰীয়ে লগতে ৬৬০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া ঝাৰখণ্ডৰ কেইবাটাও ৰেল প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে জনসাধাৰণক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, বন্দে ভাৰত ৰেলগাড়ীসমূহৰ চলাচলে ঝাৰখণ্ড আৰু চুবুৰীয়া ৰাজ্যসমূহকে ধৰি পূব ভাৰতৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক গতিবিধি ত্বৰান্বিত কৰিব। এই ৰেলগাড়ীসমূহে পৰ্যটন ক্ষেত্ৰৰ প্ৰসাৰতো সহায় কৰিব আৰু কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

০০০০

অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তিৰ প্ৰথম দিনৰ পৰীক্ষা শান্তিপূৰ্ণভাৱে আৰু নিয়াৰিকৈ সম্পন্ন হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰৰ সকলো বিষয়া-কৰ্মচাৰীৰ লগতে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছতা বৰ্তাই ৰখাৰ প্ৰতি বদ্ধপৰিকৰ। ভৱিষ্যতেও এনে ধৰণে নিকা ব্যৱস্থাৰে পৰীক্ষা অনুষ্ঠিত কৰি যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে ৰাজ্যৰ ২ হেজাৰ ৩০৫ টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত এই পৰীক্ষাত এঘাৰ লাখ ২৩ হাজাৰৰো অধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰে। তদুপৰি এই পৰীক্ষাত অসাধু উপায় অৱলম্বন কৰাটো ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা লোৱা হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে আজি পুৱা ১০ বজাৰ পৰা দিনৰ ডেৰ বজালৈ মোবাইল ইণ্টাৰনেট, মোবাইল ডাটা আৰু ৱাইফাই সেৱা ব্যাহত ৰাখে।

০০০০

অসমে বহনক্ষম উন্নয়নৰ লক্ষ্য ২০৩০ত উপনীত হোৱাৰ দিশত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাৰ্যকৰী ৰূপায়ণৰ জৰিয়তে অসমে দৰিদ্ৰতাৰ সৈতে মোকাবিলা কৰি এই লক্ষ্যৰ প্ৰথম স্তৰ সফলতাৰে অতিক্ৰম কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। এই স্তৰত চাহ বাগিছাৰ লোকসকলৰ বাবে দক্ষতা বিকাশ আৰু উদ্যমিতা বিকাশৰ বাবে সাহায্যমূলক ধনৰাশি আবণ্টন দিয়া হৈছিল। চাহ বাগিছাৰ মহিলাসকলক স্বাৱলম্বী হোৱাৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। ইপিনে, শ্বহীদ দয়াল দাস পানিকা স্বনিয়োজন আঁচনিৰ অধীনত চাহ জনগোষ্ঠীৰ যুৱকসকলৰ স্বনিয়োজনৰ বাবে বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল। মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনিৰ অধীনতো এই লোকসকলক উপাৰ্জনৰ সুবিধা দিয়া হৈছিল। একেদৰে আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আৰু আয়ুষ্মান অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনাৰ অধীনত প্ৰতিটো হিতাধিকাৰী পৰিয়ালক নগদ ধনবিহীন চিকিৎসা সুবিধা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে সফলতা অৰ্জন কৰিছে।

০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে মুখ্যমন্ত্ৰীৰ পদৰ পৰা দুদিনৰ পাছত পদত্যাগ কৰিব বুলি ঘোষণা কৰিছে। আজি দলৰ কাৰ্যালয়ত অনুষ্ঠিত এটা কাৰ্যসূচীত আম আদমী পাৰ্টীৰ নেতাগৰাকীয়ে এই সিদ্ধান্ত অৱগত কৰে। শ্ৰীকেজৰিৱালে অহা কেইদিনমানৰ ভিতৰতে আম আদমী পাৰ্টীৰ বিধায়কসকলৰ এখন বৈঠক অনুষ্ঠিত কৰি নতুন মুখ্যমন্ত্ৰী সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব বুলিও জানিবলৈ দিয়ে।

তেওঁ লগতে অহা বছৰ ফেব্ৰুৱাৰীত হ'বলগীয়া দিল্লী বিধানসভাৰ নিৰ্বাচন নৱেম্বৰত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ সৈতে অনুষ্ঠিত কৰিবলৈ দাবী জনায়। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত থকা আম আদমী পাৰ্টীৰ কাৰ্যালয়ত দলীয় কৰ্মীক সম্বোধন কৰি শ্ৰীকেজৰিৱালে কয় যে, জনসাধাৰণে ৰায় নিদিয়ালৈকে তেওঁ মুখ্যমন্ত্ৰীৰ আসনত নবহে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে দিল্লী আৱকাৰী নীতি গোচৰত যোৱা শুকুৰবাৰে শ্ৰীকেজৰিৱালক জামিন প্ৰদান কৰিছে।

০০০০

আজি অভিযন্তা দিৱস। মহান অভিযন্তা ছাৰ এম বিশ্বেশ্বৰৈয়াৰ জয়ন্তীৰ লগত সংগতি ৰাখি পালন কৰা এই দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰযুক্তি খণ্ডৰ বিশেষজ্ঞসকলক শুভেচ্ছা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে প্ৰগতি, উদ্ভাৱন আৰু জটিল প্ৰত্যাহ্বানৰ সমাধানৰ ক্ষেত্ৰত অভিযন্তাসকলৰ অৱদানৰ কথা স্বীকাৰ কৰে। ছাৰ এম বিশ্বেশ্বৰৈয়ালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে, অভিযান্ত্ৰিক ক্ষেত্ৰত তেওঁ আগবঢ়াই থৈ যোৱা অৱদানে আজিও দেশৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰি আহিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও অভিযন্তা দিৱস উপলক্ষে প্ৰযুক্তিৰ সৈতে জড়িত সকলোকে অভিনন্দন

জনাই কয় যে, বিকাশ আৰু উদ্ভাৱনৰ ক্ষেত্ৰত অভিযন্তাসকল এখন দেশৰ মেৰুদণ্ডস্বৰূপ। প্ৰগতিৰ দিশে অগ্ৰসৰ ভৱিষ্যত গঢ়াৰ দিশত অভিযন্তাসকলৰ অৱদানৰ বিষযেও তেওঁ উল্লেখ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও ছাৰ এম বিশ্বেশ্বৰৈয়াৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সামাজিক মাধ্যমযোগে ৰাষ্ট্ৰ নিৰ্মাণৰ কাৰিকৰ অভিযন্তাসকলৰ অৱদানক স্বীকৃতি প্ৰদান কৰে।

০০০০

সমাপ্ত